# প্ৰাতঃসভাত ল'বলগীয়া সংকল্পৰ কেইটামান আৰ্হি

- এইখন আমাৰ বিদ্যালয় ।
- বিদ্যালয়খন আমাৰ আপোন ।
- আমি সদায় বিদ্যালয়লৈ আহিম ।
- আমি সদায় পৰিস্কাৰ-পৰিচ্ছন্ন হৈ থাকিম ।
- আমি সদায় বিদ্যালয় গৃহ আৰু চৌহদ পৰিস্কাৰকৈ ৰাখিম ।
- আমি শিক্ষাগুৰু আৰু জ্যেষ্ঠসকলক শ্ৰদ্ধা জনাম ।
- আমি বন্ধুসকলৰ লগত মিলাপ্ৰীতিৰে থাকিম আৰু বিদ্যালয়ৰ নীতি-নিয়ম মানি চলিম ।
- আমি ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যৎ নাগৰিক । আমি দেশৰ সন্মান অটুত ৰাখিবলৈ চেষ্টাৰ পথত অগ্ৰসৰ হ'ম বুলি সংকল্প ললোঁ ।

## বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

বিদ্যালয়খন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সকলোৰে সহায়-সহযোগ অপৰিহাৰ্য। প্ৰতি বিদ্যালয়তে শিক্ষকসকলক সহায় কৰিবৰ বাবে আৰু বিদ্যালয়ৰ বিভিন্ন কাম-কাজ সুচাৰুৰূপে চলাবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ সংসদ গঠন কৰি বিভিন্ন কামৰ দায়িত্ব অৰ্পণ কৰিব।

ইয়াৰ জৰিয়তে শিশুসকলক স্বাধীনভাৱে কাম কৰা আৰু চিন্তা কৰি চোৱাৰ সুযোগ দিব পৰা যাব। মন কৰিবলগীয়া কথা যে ছাত্ৰ-ছাত্ৰীয়ে নিখুঁতভাৱে কাৰ্য সম্পন্ন কৰাটো ছাত্ৰ সংসদৰ একমাত্ৰ লক্ষ্য নহয়। ইয়াৰ জৰিয়তে তেওঁলোকে স্বতঃস্ফূৰ্তভাৱে বহুত কথা শিকিব। ছাত্ৰ সংসদৰ উদ্দেশ্য হ'ল —

- ছাত্ৰ-ছাত্ৰীয়ে সভা পাতি ভাষণ দিবলৈ, নাচ-গান, কবিতা আবৃত্তি, অভিনয় আদি পৰিৱেশন কৰিবলৈ শিকিব।
- মিলি-জুলি কাম কৰিবলৈ আৰু যিকোনো বিষয়ৰ আলোচনা কৰি সিদ্ধান্ত ল'বলৈ শিকিব।
- আত্মবিশ্বাস গঢ়িব, নেতৃত্ব গুণৰ বিকাশ হ'ব, শৃঙ্খলাবদ্ধতা আৰু সমাজ সচেতনতা বাঢ়িব।
- অভিভাৱকে নিয়মিতভাৱে বিদ্যালয়ৰ খবৰবোৰ পাব আৰু নিজৰ চিন্তা, ধ্যান-ধাৰণা বিদ্যালয়লৈ প্ৰেৰণ কৰিব পাৰিব।
- ছাত্ৰ, শিক্ষক আৰু অভিভাৱকৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিব।
- বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে বিভিন্ন কামৰ নেতৃত্ব লোৱাৰ সুবিধা পায়, সেই অৰ্থে দায়িত্বসমূহ প্ৰতি দুমাহৰ মূৰে মূৰে পৰিৱৰ্তন কৰিব।

প্ৰতিখন বিদ্যালয়ত অসমৰ প্ৰসিদ্ধ ব্যক্তিৰ নামত কেইবাটাও গোট গঠন কৰিব, যেনে- জয়মতী গোট, লাচিত বৰফুকন গোট, কনকলতা গোট, মণিৰাম দেৱান গোট, জ্যোতিপ্ৰসাদ আগৰৱালা গোট আদি। প্ৰতিটো গোটত প্ৰতিটো শ্ৰেণীৰ সমান সংখ্যক ছাত্ৰ-ছাত্ৰী সভ্য হ'ব। এই গোটসমূহে পৰ্যায়ক্ৰমে বিভিন্ন কাম-কাজৰ দায়িত্ব ল'ব। প্ৰতিটো দলৰ কাৰ্যাৱলীৰ ওপৰত ভিত্তি কৰি বছৰৰ শেষত শ্ৰেষ্ঠ গোটক স্বীকৃতি প্ৰদান কৰি উৎসাহিত কৰিব।

## বাৰ্ষিক কাৰ্য পৰিকল্পনা

শৈক্ষিক বৰ্ষ আৰম্ভ হোৱাৰ লগে লগে কৰিবলগীয়া কামসমূহ যাতে নিয়াৰিকৈ কৰিব পাৰে তাৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই আগতীয়া বাৰ্ষিক পৰিকল্পনা কৰি লোৱাটো নিতান্তই বাধ্যতামূলক। ক্ৰিয়া-কলাপসমূহ কৰাৰ লগে লগে মূল্যায়ন কৰি উপযুক্ত নথিত সংৰক্ষণ কৰি থ'ব লগতে শিক্ষক দিনলিপিত শৈক্ষিক অগ্ৰগতিৰ তথ্য মজুত ৰাখিব।

| কাৰ্য | নিৰ্ধাৰিত সময় |
|---|---|
| চাফাই | প্ৰতিদিনে ১৫ মিনিট |
| প্ৰাতঃসভা | প্ৰতিদিনে ১৫ মিনিট |
| গছ পুলি ৰোপন আৰু বাগিচাৰ কাম | মাহেকত এটা পিৰিয়ড সকলোৰে বাবে আৰু প্ৰতিদিনে ৩০ মিনিট সময় বাগিচাৰ প্ৰতিপালনৰ বাবে একোটা একোটা গোটে দায়িত্ব ল'ব। |
| বিশেষ দিৱসৰ উদ্‌যাপন নিৰ্ধাৰণ কৰিব। | এটা দিৱস উদ্‌যাপনৰ বাবে অতি বেছি তিনিটা পিৰিয়ডৰ সময়খিনিৰ প্ৰয়োজন হ'ব বুলি নিশ্চিত কৰিব পাৰি। |
| সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান পতা (কমেও দহটা দিশ যেনে- গীত, নৃত্য, অভিনয়, মূকাভিনয়, তৰ্ক, ৰচনা প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, কুইজ, আবৃত্তি, সৃজনীমূলক লিখনি ইত্যাদি) | প্ৰতিটো কাৰ্যক্ৰমৰ বাবে তিনি পিৰিয়ডকৈ বছৰত দুবাৰকৈ অনুষ্ঠিত কৰিব। |
| বাৰ্ষিক খেল-ধেমালি | ৪ দিন (শেষ দিনতো পুৰস্কাৰ বিতৰণী দিন হিচাপে পালন কৰিব)। |
| সামাজিক কাম | বছৰত দুবাৰ তিনিটাকৈ পিৰিয়ড নিৰ্ধাৰণ কৰিব। |
| কাব-বুলবুল/স্কাউট-গাইড সম্পৰ্কীয় কাম-কাজ | বছৰত ৪০টা পিৰিয়ড নিৰ্ধাৰণ কৰিব। |
| ক্ষেত্ৰ ভ্ৰমণ / শৈক্ষিক ভ্ৰমণ / বনভোজ | ২ দিন বা ১০ ঘণ্টা |
| গ্ৰীষ্মকালীন শিবিৰ/শীতকালীন শিবিৰ/আন্তঃ বিদ্যালয় শিবিৰ/ শান্তি শিক্ষাৰ শিবিৰ/মূল্যবোধৰ শিবিৰ | ১০দিন |

## ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ান

বিদ্যালয়ৰ নাম ঃ

ছাত্ৰী/ছাত্ৰীৰ নাম ঃ

শ্ৰেণী ঃ শৈক্ষিক বৰ্ষ ঃ

| বিদ্যায়তনিক দিশ | | | | | ব্যক্তিগত-সামাজিক গুণৰাজি (বৰ্ণনামূলক মন্তব্য) | |
|---|---|---|---|---|---|---|
| বিষয় | গোট মূল্যায়ন | | | | সময়ানুৱৰ্তিতা | |
| | ১ম গোট মূল্যায়ন (৫০) | ২য় গোট মূল্যায়ন (৫০) | ৩য় গোট মূল্যায়ন (৫০) | ৪ৰ্থ গোট মূল্যায়ন (৫০) | নিয়মানুৱৰ্তিতা | |
| | | | | | শৃংখলাবদ্ধতা | |
| | | | | | চাফ-চিকুণতা | |
| | | | | | আনৰ প্ৰতি শ্ৰদ্ধা | |
| | | | | | লিংগৰ প্ৰতি সংবেদনশীলতা | |
| ভাষা ১ | | | | | আনক সহায় কৰা | |
| ভাষা ২ | | | | | কথন দক্ষতা | |
| ভাষা ৩/৪ | | | | | সংখ্যাত্মক ধাৰণা/বোধ | |
| গণিত | | | | | ডিজিটেল দক্ষতা | |
| পৰিৱেশ অধ্যয়ন | | | | | সামাজিক সংবেদনশীলতা | |
| বিজ্ঞান | | | | | সহযোগিতা | |
| সমাজ বিজ্ঞান | | | | | পৰিৱেশ সচেতনতা | |
| স্বাঃ শাঃ শিক্ষা | | | | | উদ্ভাৱনীমূলক কাম/প্ৰকল্পত অংশগ্ৰহণ | |
| কলাশিক্ষা | | | | | খেল-ধেমালিত অংশগ্ৰহণ | |
| কৰ্মশিক্ষা | | | | | সাংস্কৃতিক ক্ৰিয়া-কলাপত অংশগ্ৰহণ | |
| মুঠঃ | | | | | অন্যান্য | |

শিক্ষকৰ মন্তব্যঃ

.......................................................................................................

পিতৃ-মাতৃ/অভিভাৱকৰ স্বাক্ষৰঃ .............................................. শ্ৰেণী শিক্ষকৰ স্বাক্ষৰঃ .......................................

তাৰিখঃ ........................ প্ৰধান শিক্ষকৰ স্বাক্ষৰঃ ...................................................................

## দৈনিক সময় তালিকাৰ আৰ্হি (১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ)

| সময়/বাৰ | ৯.০০-৯.১৫ | | ৯.১৫-১০.০০ | ১০.০০-১০.৪০ | ১০.৪০-১০.৫০ | ১০.৫০-১১.৩০ | ১১.৩০-১২.১০ | ১২.১০-১২.৪৫ | ১২.৪৫-১.২৫ | ১.২৫-২.০৫ | ২.০৫-২.৪৫ | ২.৪৫-৩.২৫ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | শ্ৰেণী | ১ম পিৰিয়ড | ২য় পিৰিয়ড | | ৩য় পিৰিয়ড | ৪ৰ্থ পিৰিয়ড | | ৫ম পিৰিয়ড | ৬ষ্ঠ পিৰিয়ড | ৭ম পিৰিয়ড | ৮ম পিৰিয়ড |
| সোম | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | ইংৰাজী | গণিত | প্ৰথম বিৰতি | ভাষা-১ | পঠন শ্ৰেণী | মধ্যাহ্ন ভোজন বিৰতি | গণিত | কলাশিক্ষা | - এই সময়ছোৱাত ১ম ৰ পৰা ৫ম শ্ৰেণীলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে সহ বিদ্যায়তনিক বিষয়সমূহৰ অভ্যাসনৰ বাবে বিদ্যালয়ত থাকিব পাৰিব আৰু বাকী ছাত্ৰ-ছাত্ৰীয় ২.০৫ মিনিটত বিদ্যালয় এৰিব ।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভ্যাসন পৰ্যবেক্ষণ কৰাৰ লগতে মূল্যায়নো কৰিব লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সম্পৰ্কে তেওঁলোকৰ পিতৃ-মাতৃ/ অভিভাৱকৰ লগত আলোচনা কৰিব । | |
| | | ২য় | গণিত | ভাষা-১ | | ইংৰাজী | | | পৰিপূৰক শিক্ষণ (ভাষা ১) | কলাশিক্ষা | | |
| | | ৩য় | ভাষা-১ | ইংৰাজী | | গণিত | | | | মূল্যবোধ আধাৰিত অভিজ্ঞতা | | |
| | | ৪ৰ্থ | গণিত | ভাষা-১ | | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | | পঠন শ্ৰেণী | | |
| | | ৫ম | ভাষা-১ | ইংৰাজী | | গণিত | পৰিৱেশ অধ্যয়ন | | | | | |
| | | ৬ষ্ঠ | ভাষা-১ | গণিত | | সমাজ বিজ্ঞান | হিন্দী | | ইংৰাজী | পৰিপূৰক শিক্ষণ (ভাষা ২) | বিজ্ঞান | মূল্যবোধ আধাৰিত অভিজ্ঞতা |
| | | ৭ম | গণিত | সমাজ বিজ্ঞান | | ইংৰাজী | ভাষা-১ | | বিজ্ঞান | | সমাজ বিজ্ঞান | হিন্দী |
| | | ৮ম | ইংৰাজী | ভাষা-১ | | বিজ্ঞান | গণিত | | গণিত | | সমাজ বিজ্ঞান | গ্ৰন্থাগাৰ |
| মঙ্গল | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | গণিত | ভাষা-১ | প্ৰথম বিৰতি | ইংৰাজী | কলা শিক্ষা | মধ্যাহ্ন ভোজন বিৰতি | ইংৰাজী | স্বাঃ শাঃ শিক্ষা | - এই সময়ছোৱাত ১ম ৰ পৰা ৫ম শ্ৰেণীলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে সহ বিদ্যায়তনিক বিষয়সমূহৰ অভ্যাসনৰ বাবে বিদ্যালয়ত থাকিব পাৰিব আৰু বাকী ছাত্ৰ-ছাত্ৰীয় ২.০৫ মিনিটত বিদ্যালয় এৰিব ।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভ্যাসন পৰ্যবেক্ষণ কৰাৰ লগতে মূল্যায়নো কৰিব লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সম্পৰ্কে তেওঁলোকৰ পিতৃ-মাতৃ/ অভিভাৱকৰ লগত আলোচনা কৰিব । | |
| | | ২য় | ভাষা-১ | গণিত | | পৰিপূৰক শিক্ষণ (ইংৰাজী) | ইংৰাজী | | ভাষা-১ | কলাশিক্ষা | | |
| | | ৩য় | গণিত | ভাষা-১ | | | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | স্বাঃ শাঃ শিক্ষা | | |
| | | ৪ৰ্থ | ভাষা-১ | গণিত | | | পৰিৱেশ অধ্যয়ন | | গণিত | মূল্যবোধ আধাৰিত অভিজ্ঞতা | | |
| | | ৫ম | গণিত | ভাষা-১ | | | ইংৰাজী | | ভাষা-১ | পৰিৱেশ অধ্যয়ন | | |
| | | ৬ষ্ঠ | সমাজ বিজ্ঞান | পৰিপূৰক শিক্ষণ (ভাষা ১) | | বিজ্ঞান | গণিত | | ইংৰাজী | হিন্দী | সমাজ বিজ্ঞান | গ্ৰন্থাগাৰ |
| | | ৭ম | গণিত | | | ইংৰাজী | গ্ৰন্থাগাৰ | | সমাজ বিজ্ঞান | বিজ্ঞান | হিন্দী | মূল্যবোধ আধাৰিত অভিজ্ঞতা |
| | | ৮ম | ইংৰাজী | | | সমাজ বিজ্ঞান | সমাজ বিজ্ঞান | | গণিত | গ্ৰন্থাগাৰ | বিজ্ঞান | হিন্দী |
| বুধ | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | ভাষা-১ | গণিত | প্ৰথম বিৰতি | ইংৰাজী | কলাশিক্ষা | মধ্যাহ্ন ভোজন বিৰতি | ভাষা-১ | স্বাঃ শাঃ শিক্ষা | - এই সময়ছোৱাত ১ম ৰ পৰা ৫ম শ্ৰেণীলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে সহ বিদ্যায়তনিক বিষয়সমূহৰ অভ্যাসনৰ বাবে বিদ্যালয়ত থাকিব পাৰিব আৰু বাকী ছাত্ৰ-ছাত্ৰীয় ২.০৫ মিনিটত বিদ্যালয় এৰিব ।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভ্যাসন পৰ্যবেক্ষণ কৰাৰ লগতে মূল্যায়নো কৰিব লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সম্পৰ্কে তেওঁলোকৰ পিতৃ-মাতৃ/ অভিভাৱকৰ লগত আলোচনা কৰিব । | |
| | | ২য় | গণিত | পৰিপূৰক শিক্ষণ (ভাষা ১) | | ইংৰাজী | স্বাঃ শাঃ শিক্ষা | | গণিত | কলাশিক্ষা | | |
| | | ৩য় | গণিত | | | গণিত | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | স্বাঃ শাঃ শিক্ষা | | |
| | | ৪ৰ্থ | পৰিৱেশ অধ্যয়ন | | | ইংৰাজী | গণিত | | ভাষা-১ | স্বাঃ শাঃ শিক্ষা | | |
| | | ৫ম | ইংৰাজী | | | গণিত | স্বাঃ শাঃ শিক্ষা | | পৰিৱেশ অধ্যয়ন | মূল্যবোধ আধাৰিত অভিজ্ঞতা | | |
| | | ৬ষ্ঠ | ভাষা-১ | ইংৰাজী | | হিন্দী/ ভাষা ৪ | গণিত | | সমাজ বিজ্ঞান | বিজ্ঞান | ভাষা-১ | কলাশিক্ষা |
| | | ৭ম | গণিত | গণিত | | ইংৰাজী | সমাজ বিজ্ঞান | | ইংৰাজী | হিন্দী/ ভাষা ৪ | বিজ্ঞান | গ্ৰন্থাগাৰ |
| | | ৮ম | ইংৰাজী | ভাষা-১ | | গণিত | হিন্দী | | বিজ্ঞান | সমাজ বিজ্ঞান | সমাজ বিজ্ঞান | মূল্যবোধ আধাৰিত অভিজ্ঞতা |
| বৃহস্পতি | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | গণিত | ভাষা-১ | প্ৰথম বিৰতি | ইংৰাজী | ভাষা-১ | মধ্যাহ্ন ভোজন বিৰতি | পৰিৱেশ অধ্যয়ন | মূল্যবোধ আধাৰিত অভিজ্ঞতা | - এই সময়ছোৱাত ১ম ৰ পৰা ৫ম শ্ৰেণীলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে সহ বিদ্যায়তনিক বিষয়সমূহৰ অভ্যাসনৰ বাবে বিদ্যালয়ত থাকিব পাৰিব আৰু বাকী ছাত্ৰ-ছাত্ৰীয় ২.০৫ মিনিটত বিদ্যালয় এৰিব ।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভ্যাসন পৰ্যবেক্ষণ কৰাৰ লগতে মূল্যায়নো কৰিব লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সম্পৰ্কে তেওঁলোকৰ পিতৃ-মাতৃ/ অভিভাৱকৰ লগত আলোচনা কৰিব । | |
| | | ২য় | ইংৰাজী | পৰিপূৰক শিক্ষণ (সংখ্যা জ্ঞান) | | ভাষা-১ | গণিত | | স্বাঃ শাঃ শিক্ষা | কলাশিক্ষা | | |
| | | ৩য় | ইংৰাজী | | | পৰিৱেশ অধ্যয়ন | ভাষা-১ | | গণিত | কলাশিক্ষা | | |
| | | ৪ৰ্থ | ভাষা-১ | | | গণিত | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | কলাশিক্ষা | | |
| | | ৫ম | গণিত | | | ইংৰাজী | পৰিৱেশ অধ্যয়ন | | ভাষা-১ | কলাশিক্ষা | | |
| | | ৬ষ্ঠ | ভাষা-১ | গণিত | | বিজ্ঞান | সমাজ বিজ্ঞান | | হিন্দী/ ভাষা ৪ | সমাজ বিজ্ঞান | ইংৰাজী | কলাশিক্ষা |
| | | ৭ম | গণিত | ভাষা-১ | | সমাজ বিজ্ঞান | বিজ্ঞান | | ইংৰাজী | হিন্দী | সমাজ বিজ্ঞান | কলাশিক্ষা |
| | | ৮ম | বিজ্ঞান | সমাজ বিজ্ঞান | | ভাষা-১ | হিন্দী/ ভাষা ৪ | | সমাজ বিজ্ঞান | ইংৰাজী | গণিত | কলাশিক্ষা |
| শুক্ৰ | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | ভাষা-১ | গণিত | প্ৰথম বিৰতি | ইংৰাজী | গণিত | মধ্যাহ্ন ভোজন বিৰতি | স্বাঃ শাঃ শিক্ষা | কলাশিক্ষা | - এই সময়ছোৱাত ১ম ৰ পৰা ৫ম শ্ৰেণীলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে সহ বিদ্যায়তনিক বিষয়সমূহৰ অভ্যাসনৰ বাবে বিদ্যালয়ত থাকিব পাৰিব আৰু বাকী ছাত্ৰ-ছাত্ৰীয় ২.০৫ মিনিটত বিদ্যালয় এৰিব ।<br>- শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অভ্যাসন পৰ্যবেক্ষণ কৰাৰ লগতে মূল্যায়নো কৰিব লগতে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সম্পৰ্কে তেওঁলোকৰ পিতৃ-মাতৃ/ অভিভাৱকৰ লগত আলোচনা কৰিব । | |
| | | ২য় | গণিত | ভাষা-১ | | পৰিপূৰক শিক্ষণ (ইংৰাজী) | ইংৰাজী | | স্বাঃ শাঃ শিক্ষা | মূল্যবোধ আধাৰিত অভিজ্ঞতা | | |
| | | ৩য় | ভাষা-১ | গণিত | | | পৰিৱেশ অধ্যয়ন | | ইংৰাজী | স্বাঃ শাঃ শিক্ষা | | |
| | | ৪ৰ্থ | গণিত | পৰিৱেশ অধ্যয়ন | | | ভাষা-১ | | স্বাঃ শাঃ শিক্ষা | কলাশিক্ষা | | |
| | | ৫ম | ভাষা-১ | গণিত | | | ইংৰাজী | | পৰিৱেশ অধ্যয়ন | স্বাঃ শাঃ শিক্ষা | | |
| | | ৬ষ্ঠ | সমাজ বিজ্ঞান | পৰিপূৰক শিক্ষণ (সংখ্যা জ্ঞান) | | ইংৰাজী | হিন্দী | | সমাজ বিজ্ঞান | ভাষা-১ | বিজ্ঞান | স্কাউট গাইড |
| | | ৭ম | ভাষা-১ | | | গণিত | ইংৰাজী | | বিজ্ঞান | হিন্দী/ ভাষা-৪ | সমাজ বিজ্ঞান | স্কাউট গাইড |
| | | ৮ম | বিজ্ঞান | | | হিন্দী/ ভাষা-৪ | সমাজ বিজ্ঞান | | ভাষা-১ | সমাজ বিজ্ঞান | ইংৰাজী | স্কাউট গাইড |
| শনি | চাফাই, প্ৰাতঃসভা, দিনটোৰ কাৰ্যাবলীৰ পৰিকল্পনা | ১ম | ইংৰাজী | গণিত | প্ৰথম বিৰতি | ভাষা-১ | গ্ৰন্থাগাৰ শ্ৰেণী | মধ্যাহ্ন ভোজন বিৰতি | **গ্ৰন্থাগাৰ শ্ৰেণীঃ** এই পিৰিয়ডত তত্বাবধায়ক শিক্ষকে শ্ৰেণী অনুযায়ী ছাত্ৰ-ছাত্ৰীক ভিন-ভিন বিষয়ৰ প্ৰাসংগিক পুথি অধ্যয়নৰ সুবিধা কৰিব। নিৰ্ধাৰিত সময়ৰ মূৰে মূৰে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন ভিত্তিক মূল্যায়ন কৰি যাব।<br>**মূল্যবোধ আধাৰিত অভিজ্ঞতাঃ** এই পিৰিয়ডত শিক্ষকে প্ৰতিটো বিষয়ৰ সৈতে সমন্বিত হৈ থকা মূল্যবোধ ভিত্তিক শিক্ষণৰ বিভিন্ন দিশসমূহৰ যথাসম্ভৱ প্ৰায়োগিক অভ্যাসন কৰাব।<br>**কৰ্মশিক্ষাঃ** এই পিৰিয়ড বিভিন্ন ধৰণৰ সমল যেনে-সাধু, ভাও লোৱা, নাটিকা আদি মূল্যবোধভিত্তিক অভিজ্ঞতাৰ বাবে প্ৰয়োগ কৰিব। | | | |
| | | ২য় | গণিত | ভাষা-১ | | ইংৰাজী | গ্ৰন্থাগাৰ শ্ৰেণী | | | | | |
| | | ৩য় | ভাষা-১ | ইংৰাজী | | গণিত | গ্ৰন্থাগাৰ শ্ৰেণী | | | | | |
| | | ৪ৰ্থ | ভাষা-১ | গণিত | | ইংৰাজী | গ্ৰন্থাগাৰ শ্ৰেণী | | | | | |
| | | ৫ম | ভাষা-১ | ইংৰাজী | | গণিত | গ্ৰন্থাগাৰ শ্ৰেণী | | | | | |
| | | ৬ষ্ঠ | বিজ্ঞান | গণিত | | ইংৰাজী | কৰ্মশিক্ষা | | | | | |
| | | ৭ম | সমাজ বিজ্ঞান | ভাষা-১ | | বিজ্ঞান | কৰ্মশিক্ষা | | | | | |
| | | ৮ম | ভাষা-১ | গণিত | | সমাজ বিজ্ঞান | কৰ্মশিক্ষা | | | | | |

বিদ্যালয় ছুটী হোৱাৰ সময়ত অসমৰ জাতীয় সংগীতটি সকলোৰে একেলগে গাই বিদ্যালয়ৰ কাৰ্যসূচীৰ সামৰণি মাৰিব।

- ✔ প্ৰতি বিদ্যালয়ৰ শিক্ষকে বিষয়ৰ গুৰুত্ব আৰু স্কুলবেগৰ নিৰ্ধাৰিত ওজন সাপেক্ষে দৈনিক সময় তালিকাত বিষয়সমূহ সন্নিবিষ্ট কৰিব।
- ✔ বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত দৈনিক সময় তালিকা কিছু পৰিমানে নমনীয় কৰি ল'ব।
- ✔ যিবিলাক বিদ্যালয়ক দূৰ শিক্ষা (Tele-education)/তথ্য-যোগাযোগ প্ৰযুক্তি (ICT)ৰ জৰিয়তে সংযোগ কৰা হৈছে তেওঁলোকে নিজৰ সুবিধা অনুযায়ী দৈনিক সময় তালিকাত পিৰিয়ড সন্নিবিষ্ট কৰিব।

## বিদ্যালয়ত পুথিভঁৰাল সম্পৰ্কীয় ব্যৱস্থাৱলী

প্ৰতিখন বিদ্যালয়ত পুথিভঁৰাল আৰু প্ৰতিটো শ্ৰেণীকোঠাত পঠন কোণ (Reading Corner) থকাটো বাঞ্ছনীয় । বিদ্যালয়সমূহলৈ যোগান ধৰা পঠন সামগ্ৰীসমূহ বা কিতাপসমূহ পুথিভঁৰাল আৰু পঠন কোণত ভালদৰে ৰাখিব লাগে আৰু ছাত্ৰ-ছাত্ৰীয়ে সহজে ঢুকি পোৱাকৈ ৰখাটো উচিত । কিতাপসমূহৰ ক্ৰমিক নম্বৰ দি পঞ্জীয়ন বহীত লিপিবদ্ধ কৰি ৰাখিব লাগে । পুথিভঁৰাল পৰিচালনা কমিটি (Library Management Committee) গঠন কৰি সক্ৰিয় কৰিব লাগে । পুথিভঁৰালৰ কিতাপৰ ব্যৱহাৰৰ ক্ষেত্ৰত পঠিওৱা নিৰ্দেশাৱলীত উল্লেখ কৰা অনুসৰি বিদ্যালয়ৰ এজন শিক্ষকক পুথিভঁৰালৰ সঠিক ব্যৱহাৰৰ দায়িত্ব দিব লাগে ।

প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে পুথিভঁৰালৰ কিতাপ পঢ়ে সেইটোৰ প্ৰতি বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ লগতে পুথিভঁৰালৰ দায়িত্বত থকা শিক্ষকজনে নিশ্চিত কৰিব লাগে । আটাইতকৈ বেছি কিতাপ পঢ়া ছাত্ৰ বা ছাত্ৰী গৰাকীক বিদ্যালয় কৰ্তৃপক্ষৰ পৰা বছৰেকত পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে । পুথিভঁৰালৰ পিৰিয়দ (Library Period) ত ছাত্ৰ-ছাত্ৰীসকলে পঢ়া কিতাপসমূহৰ ওপৰত মাজে-মাজে দলত আলোচনা কৰিবলৈ দিব লাগে । তেওঁলোকে পঢ়ি পোৱা অভিজ্ঞতাবোৰ প্ৰাতঃ সভাতো ক'বলৈ দিব পাৰে ।

মাজে-মাজে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাধুকথা কোৱা, নিজৰ ভাষাত সাধু লিখন, আদিৰ প্ৰতিযোগিতা পাতিব পাৰে । এনেকুৱা ক্ৰিয়া-কলাপত পিতৃ-মাতৃ, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি, শিক্ষাবিদ আদিকো জড়িত কৰাব পাৰে ।

## বিদ্যালয়ৰ স্কুল বেগ/সামগ্ৰী/কৰ্মপুথিৰ ওজন হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰী নিৰ্দেশাৱলী

স্কুল বেগ আৰু অন্যান্য সামগ্ৰীৰ ওজন সীমিত কৰাৰ বাবে ২০১৮-১৯ শিক্ষাবৰ্ষৰ পৰা কাৰ্যকৰী হোৱাকৈ শিক্ষা বিভাগ, অসম চৰকাৰে সংশ্লিষ্ট শিক্ষা বিভাগসমূহলৈ প্ৰেৰণ কৰা জাননী অনুসাৰে-

- ☐ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক গৃহকৰ্ম দিব নোৱাৰিব ।
- ☐ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাষা-১, ভাষা-২ আৰু গণিতৰ বাহিৰে অন্য বিষয় অন্তৰ্ভুক্ত কৰিব নোৱাৰিব ।
- ☐ তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এন চিই আৰ টি /এছ চিই আৰ টিয়ে পৰিৱেশ বিজ্ঞান বিষয় অন্তৰ্ভুক্ত কৰিছে ।
- ☐ যিবিলাক বিদ্যালয়ে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক গৃহকৰ্ম দিয়ে আৰু প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈ এন চিই আৰ টি/এছ চিই আৰ টিয়ে নিৰ্দেশ দিয়া বিষয়ৰ উপৰি অন্য বিষয় অন্তৰ্ভুক্ত কৰে তেনে বিদ্যালয়ৰ স্বীকৃতি বাতিল কৰা হ'ব ।
- ☐ সৰ্বাধিক স্কুল বেগৰ ওজন নিম্নলিখিত সীমা অতিক্ৰম কৰিব নোৱাৰিব ।

| ক্ৰমিক নং | শ্ৰেণী | সৰ্বাধিক ওজন (কিঃ গ্ৰাম) |
|---|---|---|
| ১ | ১ম, ২য় | ১.৫ কিঃ গ্ৰাম |
| ২ | ৩য়, ৪ৰ্থ, ৫ম | ২-৩ কিঃ গ্ৰাম |
| ৩ | ৬ষ্ঠ, ৭ম, ৮ম | ৪ কিঃ গ্ৰাম |
| ৪ | ৮ম, ৯ম | ৪.৫ কিঃ গ্ৰাম |
| ৫ | ১০ম | ৫ কিঃ গ্ৰাম |

উল্লেখনীয় যে আমাৰ ৰাজ্যত এই স্তৰৰ বিদ্যালয়ৰ শ্ৰেণীসমূহৰ স্কুলবেগৰ ওজন উল্লিখিত তালিকাতকৈ বেছি নহয়।

### পিতৃ-মাতৃ/অভিভাৱকৰ লগত কি কি দিশ আলোচনা কৰিব ?

- ❖ তেওঁলোকৰ সন্তানে কি কৰিবলৈ ভাল পায় বা কি কৰিবলৈ বেয়া পায় সেই বিষয়ে আলোচনা কৰিব।
- ❖ তেওঁলোকৰ সন্তানে কৰা ভাল কাম বা বেয়া কামৰ ওপৰত আলোকপাত কৰিব। সন্তানৰ কৃতকাৰ্যতা আৰু উন্নতিৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা সহায়ৰ কথা তেওঁলোকক জনাব।
- ❖ সন্তানৰ কোনো প্ৰশংসনীয় কাম বা তেওঁ কৰা প্ৰচেষ্টাক উৎসাহিত কৰিবলৈ পৰামৰ্শ দিব।
- ❖ ছাত্ৰ বা ছাত্ৰীগৰাকীক সহযোগিতা, দায়িত্ববোধ, অন্যৰ প্ৰতি সংবেদনশীলতা, আগ্ৰহ বা ৰাপ ইত্যাদি দিশসমূহ পিতৃ-মাতৃ বা অভিভাৱকৰ লগত আলোচনা কৰিব।
- ❖ সন্তানৰ শিকন কাৰ্যত সহায় কৰিবলৈ পিতৃ-মাতৃ বা অভিভাৱকে কেনেধৰণৰ কাম কৰিব পাৰে বা তেওঁলোকে সন্তানৰ কি কি দিশ নিৰীক্ষণ কৰিব সেই বিষয়েও আলোচনা কৰিব।

### স্বাস্থ্যবিধি সম্পৰ্কে শিক্ষকৰ দায়িত্ব আৰু ভূমিকা ঃ

- ☐ ছাত্ৰ দলৰ দ্বাৰা পাল পাতি শ্ৰেণীকোঠা আৰু বিদ্যালয় চৌহদ পৰিষ্কাৰকৰণ।
- ☐ অনাময় আৰু স্বাস্থ্যবিধিৰ অধীনৰ ক্ৰিয়া-কলাপসমূহ কোনে, কেতিয়া পালন কৰিব তাক নিৰ্ধাৰণ কৰা।
- ☐ শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পাল পাতি খোৱা পানীৰ উৎস আৰু শৌচাগাৰ সুচল কৰি ৰখাৰ তদাৰকীকৰণ।
- ☐ বিদ্যালয়ৰ তত্বাৱধানৰ বাবে পোৱা অনুদানৰ টকাৰে বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা খোৱা পানীৰ উৎস আৰু শৌচাগাৰৰ মেৰামতি কৰা।
- ☐ ছাত্ৰ-ছাত্ৰীয়ে পালন কৰা স্বাস্থ্যবিধি সম্পৰ্কীয় ক্ৰিয়া-কলাপসমূহ শিক্ষকৰ দ্বাৰা দৈনিক নিৰীক্ষণ।

শৈক্ষিক দিনপঞ্জী সন্দৰ্ভত আপোনালোকৰ বহুমূলীয়া মতামত/ উপদেশসমূহ নিম্নলিখিত ই-মেইলৰ জৰিয়তে অৱগত কৰাব-

**cmd@scertassam.in**